চয়তানে তোমালোকৰ প্ৰত্যেকৰে মূৰৰ পিছফালে ৰাতিত শোৱাৰ সময়ত তিনিটাকৈ গাঁঠি বান্ধি দিয়ে। প্ৰত্যেক গাঁঠিত এই বুলি ফুঁ দিয়ে যে, ৰাতি বৰ দীঘল, নিশ্চিন্তে টোপনি যোৱা।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "চয়তানে তোমালোকৰ প্ৰত্যেকৰে মূৰৰ পিছফালে ৰাতিত শোৱাৰ সময়ত তিনিটাকৈ গাঁঠি বান্ধি দিয়ে। প্ৰত্যেক গাঁঠিত এই বুলি ফুঁ দিয়ে যে, ৰাতি বৰ দীঘল, নিশ্চিন্তে টোপনি যোৱা। এতেকে সেই ব্যক্তিয়ে ৰাতিত যদি টোপনিৰ পৰা সজাগ হৈ
আল্লাহক স্মৰণ কৰে (অৰ্থাৎ টোপনিৰ পৰা উঠাৰ দুআ পাঠ কৰে) তেন্তে এটা গাঁঠি খুলি যায়, আৰু যদি অজু কৰে তেন্তে আন এটা গাঁঠি খুলি যায়, আৰু যদি নামাজ পঢ়ে তেন্তে শেষৰ গাঁঠিটোও খুলি যায়। সেয়ে তেওঁ সক্ৰিয় হৈ সবল মনেৰে পুৱাৰ ভাগত উপনীত হয়। অন্যথা এলেহুৱা হৈ নিকৃষ্ট মনেৰে পুৱাৰ ভাগত উপনীত হয়।" [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত চয়তানৰ অৱস্থা আৰু যি ব্যক্তিয়ে তাহাজ্জুদৰ বাবে উঠিব বিচাৰে বা ফজৰৰ সময়ত উঠিব বিচাৰে তাৰ সৈতে চয়তানে কৰা সংগ্ৰাম সম্পৰ্কে জনাইছে। মুমিন ব্যক্তিয়ে যেতিয়া বিছনাত শুবলৈ যায় তেতিয়া চয়তানে তেওঁৰ মূৰৰ পিছফালে তিনিটা গাঁঠি বান্ধি দিয়ে। মুমিন ব্যক্তিয়ে যদি ৰাতিত টোপনিৰ পৰা সাৰ পায় আৰু আল্লাহক স্মৰণ কৰে, তথা চয়তানৰ কুমন্ত্ৰণাক ভ্ৰূক্ষেপ নকৰে, তেন্তে এটা গাঁঠি খোল খায়। যদি অজু কৰে তেন্তে আন এটা গাঁঠি খোল খায়। এইদৰে যদি তেওঁ নামাজ পঢ়ে তেন্তে তৃতীয় নম্বৰ গাঁঠিটোও খোল খায়। ফলত তেওঁ সজীৱ মনেৰে সক্ৰিয় হৈ পুৱাৰ ভাগত উপনীত হয়। আল্লাহৰ তাওফীকত আনুগত্য কৰাৰ কাৰণে তেওঁ এই আনন্দ লাভ কৰে। লগতে আল্লাহে প্ৰদান কৰা ক্ষমা আৰু ছোৱাবৰ প্ৰতিশ্ৰুতিৰ দ্বাৰা সুসংবাদ গ্ৰহণ কৰে। লগতে চয়তানৰ গাঁঠি আৰু তাৰ চক্ৰান্তৰ পৰা মুক্ত হয়। অন্যথা বেয়া মন আৰু দুখী হৃদয়েৰে সাৰ পায়; আৰু কল্যাণকৰ তথা ভাল কামত এলাহ ভাৱ জন্মে, কাৰণ সি চয়তানৰ শিকলিত আৱদ্ধ হৈ থাকে আৰু দয়াময় আল্লাহৰ ৰহমতৰ পৰা আঁতৰি থাকে।

http://www.sunnah.global/hadeeth/as/show/3731